# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-12-2024 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

বৃহস্পতিবাৰৰ নিশা দেহাৱসান ঘটা প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ অন্ত্যেষ্টিক্ৰিয়া সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে আজি দিল্লীৰ নিগমবোধ ঘাটত সম্পন্ন কৰা হ'ব। ইয়াৰ আগতে তেওঁৰ নশ্বৰ দেহ পুষ্প সজ্জিত বাহনেৰে শোভাযাত্ৰা কৰি মতিলাল নেহৰু মাৰ্গৰ বাসভৱনৰ পৰা আকবৰ ৰোডত থকা কংগ্ৰেছ মুখ্য কাৰ্যালয়লৈ নিয়া হ'ব আৰু ইয়াতে দলীয় নেতা-কৰ্মীসকলে প্ৰয়াত নেতাগৰাকীৰ প্ৰতি অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰিব। কংগ্ৰেছৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালে প্ৰকাশ কৰা অনুসৰি আকবৰ ৰোডৰ মুখ্য কাৰ্যালয়ৰ পৰা পুৱা চাৰে ৯ বজাত ড০ মনমোহন সিঙৰ অন্তিম যাত্ৰা আৰম্ভ হ'ব। দিল্লীৰ বিভিন্ন পথেৰে উলিওৱা এই অন্তিম যাত্ৰাৰ চলন্তবিৱৰণী আকাশবাণীয়ে দিনৰ ১১ বজাৰ পৰা প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ লগতে ৰাজ্যখনৰ আটাইবোৰ আকাশবাণী কেন্দ্ৰই এই অনুষ্ঠান ৰিলে কৰিব।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, ড০ মনমোহন সিঙৰ  অন্ত্যেষ্টিক্ৰিয়া সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যদাৰে সম্পন্ন কৰা হ'ব। কেন্দ্ৰীয় মন্ত্ৰীসভাই ইতিমধ্যে প্ৰয়াত প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ সমাধি নিৰ্মাণৰ বাবে ভূমি আৱণ্টনত অনুমোদন জনাইছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি নতুন দিল্লীত এই কথা প্ৰকাশ কৰি কয়, যে কংগ্ৰেছ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেই কৰা অনুৰোধ মৰ্মে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকে দিল্লীৰ এডোখৰ সুবিধাজনক স্থানত ইয়াৰ বাবে ভূমি আৱণ্টনৰ সিদ্ধান্ত লয়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত হ'বলগীয়া এডভাণ্টেজ আছাম সন্মিলনত ৮ হাজাৰ নৃত্য শিল্পীয়ে ঝুমুৰ নৃত্য পৰিৱেশন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি লগতে কয়, যে এডভাণ্টেজ আছাম বিনিয়োগ সন্মিলন আৰু আন্তঃগাঁথনি ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত ঘৰুৱা তথা বিদেশ বিনিয়োগকাৰীসকলৰ উপস্থিতিত অনুষ্ঠিত হ'ব। অসমৰ বৰ্তমানৰ পৰিৱৰ্তিত পৰিৱেশ তথা দৃশ্যপট তেওঁলোকৰ আগত উপস্থাপন কৰাৰ লক্ষ্য লোৱা বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০

সমগ্ৰ শিক্ষা অসম আৰু অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ পৃষ্ঠপোষকতাত মাজুলীত অহা ৩ জানুৱাৰীত জিলা পৰ্যায়ৰ বিজ্ঞান অনুসন্ধান শিশু বিজ্ঞান সমাৰোহৰ আয়োজন কৰা হৈছে। মাজুলী জিলা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ আয়োজক সমিতি আৰু মাজুলী জিলা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সহযোগত বেঙেনাআটী ৰমাকান্ত দেব উচ্চ মাধ্যমিক বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে চৰকাৰী বিদ্যালয়সমূহৰ শিক্ষাৰ্থীৰ মাজত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত আয়োজিত এই প্ৰতিযোগিতাৰ বিষয়বস্তু হৈছে- বহনক্ষম উন্নয়নৰ

বাবে পৰম্পৰাগত জ্ঞান পদ্ধতি। এই সমাৰোহৰ পৰা ৰাজ্যিক পৰ্যায়ৰ সমাৰোহলৈ প্ৰকল্পসমূহ বাছি উলিওৱা হ'ব। সমাৰোহৰ জিলা সমন্বয়ক লোহিত শইকীয়াই ৩০ ডিচেম্বৰৰ ভিতৰত ইচ্ছুক শিক্ষাৰ্থীসকলক তেওঁলোকৰ প্ৰকল্পবোৰ মাজুলীৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰত জমা দিবলৈ আহ্বান জনাইছে।

০০০০০০

ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত কালি অসম সাহিত্য সভাৰ ১০৮ বছৰীয়া প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। অনুষ্ঠানত জিলা সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁইয়ে পতাকা উত্তোলন কৰি অসম সাহিত্য সভা অসম আৰু অসমীয়াৰ জাতীয় জীৱনৰ অনবদ্য অংগ হৈ থাকিব বুলি মন্তব্য কৰে। ইপিনে অনুষ্ঠানত জিলা সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁইয়ে ডিব্ৰুগড় সাহিত্য সভাই দেশৰ বিভিন্ন ৰাজ্যৰ লগতে প্ৰায় ৩৩ দেশৰ সৈতে বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ জৰিয়তে অসমীয়া ভাষা সাহিত্য সংস্কৃতিক অধিক আগুৱাই নিবলৈ চলোৱা প্ৰয়াসৰ বিষয়ে জানিবলৈ দিয়ে।

০০০০০০

কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ প্ৰাক্তন সঞ্চালক অধ্যাপক অনিল গোস্বামীৰ  কালি নিশা মৃত্যু হয়। গুৱাহাটীৰ শিলপুখুৰীৰ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰা শিক্ষাবিদগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮৯ বছৰ। ১৯৯১ চনৰ পৰা ১৯৯৩ চনলৈ তেতিয়াৰ কটন মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰা ড০ গোস্বামী মহাবিদ্যালয়খনৰ পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰববী পদতো অধিস্থিত আছিল।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৭ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে  এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

ভাৰতৰ নিম্ন ক্ৰমাংকৰ খেলুৱৈসকলে বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ চতুৰ্থখন টেষ্টত সংগ্ৰাম অব্যাহত ৰাখিছে। আজি খেলখনৰ তৃতীয় দিনা আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি ভাৰতে ৭ উইকেটৰ বিনিময়ত ২৯৪ ৰান সংগ্ৰহ কৰিছে। নীতিশ কুমাৰ ৰেড্ডীয়ে ৬২ আৰু ৱাশ্বিংটন সুন্দৰে ৩৩ ৰাণ কৰি খেলি থকা এই মুহূৰ্তত ভাৰত প্ৰথম ইনিংছত ১৮০ ৰাণত পিছপৰি আছে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াৰ  প্ৰথম ইনিংছৰ ৪৭৪ ৰাণৰ প্ৰত্যুত্তৰত খেলিবলৈ নমা ভাৰতৰ অপেনাৰ য়শস্বী জয়ছোৱালে ৮২ ৰাণ কৰাৰ বাহিৰে আন খেলুৱৈসকলে বিশেষ অৰিহণা যোগোৱাত বিফল হয়।

উল্লেখযোগ্য যে ৫ খন খেলৰ শৃংখলাটোত এইপৰ্যন্ত দুয়োটা দলে এখনকৈ খেলত বিজয় অৰ্জন কৰিছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি  নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সংবাদমাধ্যমৰ প্ৰচাৰবিমুখ তিনিগৰাকী ব্যক্তিৰ সৈতে আলোচনাৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানত দৃষ্টিবাধিতসকলৰ বাবে নিৰলসভাৱে কাম কৰি অহা সংগঠন কেয়াৰ ইউ-থ্ৰী ছিক্সটি ফাইভ নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ প্ৰতিষ্ঠাপক ভৃগু বৰঠাকুৰ, সমাজৰ অৱহেলিত তথা অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ বাবে কাম কৰি অহা সংগঠন হেল্প এইড ফাউণ্ডেচনৰ অধ্যক্ষ অঞ্জুলিনা দেৱ চৌধুৰী আৰু বাটে-পথে অৱহেলিত-অনাদৃত হৈ ঘূৰি ফুৰা কুকুৰ-মেকুৰী প্ৰতিপালন কৰা সংগঠন অভিনৱ প্ৰয়াসৰ অধ্যক্ষ উৰ্মিমালা দাসৰ সৈতে হোৱা কথা-বতৰা শুনিবলৈ পাব। অনুষ্ঠানৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬২৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰ দুটাত  ফোন কৰি তিনিওগৰাকী অতিথিৰ সৈতে কথা পাতিব পাৰিব।

oooooo

**সমাপ্ত**